# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI

0000000000

**Date :** 09-11-2024
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

***:::::::  :::::::  ::::::::  ::::::::***

ৰাজ্য চৰকাৰে যোৱা ৩ নৱেম্বৰৰ পৰা গ্ৰহণ কৰা ভাষা গৌৰৱ সপ্তাহৰ কাৰ্যসূচীৰ অংশ হিচাপে আজিও ৰাজ্যৰ কেইবাখনো জিলাত অনুষ্ঠানৰ আয়োজন কৰা হয়। অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ স্বীকৃতি লাভ কৰাৰ আনন্দ উদ্‌যাপনৰ বাবে মাজুলীতো আজি এই কাৰ্যসূচী লোৱা হয়। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ভাষা গৌৰৱ সপ্তাহ উদ্‌যাপনৰ ক্ষেত্ৰত প্ৰতিগৰাকী ব্যক্তিৰ সঁহাৰি আৰু উৎসাহৰ বাবে সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ কয় যে, এই কাৰ্যসূচীৰ জৰিয়তে জিলা প্ৰশাসন, শিক্ষানুষ্ঠান তথা সৰ্বস্তৰৰ নাগৰিকে বৰেণ্য সাহিত্যিক আৰু অসমীয়া ভাষাৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন কৰিলে। অসমীয়া ভাষাত আন্তৰাষ্ট্ৰীয় স্তৰলৈ লৈ যোৱাৰ বাবে ৰাজ্যখনত বহু কৰণীয় আছে বুলি তেওঁ উল্লেখ কৰে। উল্লেখযোগ্য যে সপ্তাহযোৰা কাৰ্যসূচীৰ আজি সামৰণি অনুষ্ঠান মাজুলীৰ ৰাজগুৰুবাৰী প্ৰাথমিক বিদ্যালয়ত অনুষ্ঠিত হয়। এই উপলক্ষে স্বৰচিত কবিতা পাঠ, সংগীতানুষ্ঠান আদিও অনুষ্ঠিত হয়। বাক্সা জিলাৰ শালবাৰী মহাবিদ্যালয়ত আজি ভাষা গৌৰৱ সপ্তাহৰ সামৰণি উপলক্ষে এখন সজাগতা সভা অনুষ্ঠিত হয়। এই সভাত কোকৰাঝাৰ আইন মহাবিদ্যালয়ৰ এশগৰাকী ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে।

০০০

ভাৰতে সৌৰ সহযোগিতাৰ পাছতে জৈৱ ইন্ধনৰ সহযোগিতাৰ ক্ষেত্ৰত সমগ্ৰ বিশ্বক সজাগ কৰাৰ প্ৰয়াস কৰিব। অসম তথা উত্তৰ পূৰ্বাঞ্চলতো জৈৱ ইন্ধনৰ ক্ষেত্ৰত যথেষ্ট সম্ভাৱনা আছে আৰু ইয়াৰ দ্বাৰা নতুন প্ৰজন্মই স্বাৱলম্বী হোৱাৰ পথ প্ৰশস্ত হব পাৰে। আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগৰ আজিৰ দৃষ্টিপাত অনুষ্ঠানত প্ৰদূষণ নিয়ন্ত্ৰণ বৰ্ডৰ অধ্যক্ষ ডং অৰূপ কুমাৰ মিশ্ৰ আৰু নুমলীগড় তেল শোধনাগাৰৰ কৰ্প'ৰেট পৰিক্ৰমা বিভাগৰ উপদেষ্টা নিকুঞ্জ বৰঠাকুৰে এই বিষয়ে প্ৰকাশ কৰে। তেওঁলোকে কয় যে, জৈৱ ইন্ধনৰ ব্যৱহাৰৰ দ্বাৰা পৰিবেশ প্ৰদূষণ হ্ৰাস কৰাৰ লগতে অৰ্থনীতি টনকীয়াল হোৱাৰ সম্ভাৱনা থাকে। এই ইন্ধনৰ ব্যৱহাৰে গ্ৰীন হাউচ গেছৰ নিৰ্গমন ৰোধ কৰাৰ উপৰি কাৰ্বন প্ৰাবল্য হ্ৰাস কৰি পৃথিৱীত জীৱৰ অস্তিত্বৰ বাবে পৰিবেশ অনুকুল কৰি ৰাখে। তেওঁলোকে লগতে কয় যে, জৈৱ ইন্ধনৰ উৎসসমূহ অন্তহীন উৎস থকাৰ পৰিপ্ৰেক্ষিতত এই ইন্ধনৰ নাটনি হোৱাৰ কোনো আশংকা নাথাকে। আৱৰ্জনা, বিভিন্ন বৰ্জ্য সামগ্ৰী আদি ব্যৱহাৰৰ দ্বাৰাও জৈৱ ইন্ধন উৎপাদন কৰিব পাৰি বুলি তেওঁলোকে কয়। ভাৰতে জৈৱ ইন্ধনৰ ব্যৱহাৰৰ ওপৰত আৰোপ কৰা গুৰুত্বৰ বাবে ২০১৪ চনত জীৱাশ্ম ইন্ধনৰ সৈতে ইথানল মিশ্ৰন ১ দশমিক ৪ শতাংশৰ পৰা যোৱা বছৰত ১৫ শতাংশলৈ বৃদ্ধি পাইছে বুলি তেওঁলোকে জানিবলৈ দিয়ে। এই মিশ্ৰন ২০ শতাংশলৈ বৃদ্ধি কৰাৰ লক্ষ্য লোৱা হৈছে বুলিও তেওঁলোকে কয়। যুৱ প্ৰজন্মই জৈৱ ইন্ধন উৎপাদনৰ দ্বাৰা স্বাৱলম্বি হব পাৰে বুলি উল্লেখ কৰি তেওঁলোকে কয় যে এই ইন্ধনৰ এখন উন্নত বজাৰ আছে আৰু সংশ্লিষ্ট কোম্পানীসমূহে উৎপাদিত স্থানৰ পৰাই এই ইন্ধন ক্ৰয় কৰে বুলি তেওঁলোকে উল্লেখ কৰে। অৱশ্যে এইক্ষেত্ৰত মাটিৰ চাহিদা,

পানীৰ প্ৰয়োজন অধিক আদিৰ বাবে কিছু প্ৰত্যাহ্বানৰ সন্মুখীন হয় যদিও এনে প্ৰত্যাহ্বান গ্ৰহণ কৰি সফল হব পৰা যায় বুলি তেওঁলোকে কয়।

০০০

ৰাজ্য চৰকাৰৰ ধবজাবাহী কাৰ্যসূচী মুখ্যমন্ত্ৰীৰ আত্মনিৰ্ভৰ অসম অভিযানৰ অধীনত আৰ্থিক অনুদানৰ দ্বিতীয়টো কিস্তি আজি পোনপটীয়াকৈ বেংক একাউণ্টযোগে প্ৰদানৰ শুভাৰম্ভ কৰা হৈছে। উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী বিমল বৰাই আজি এই বিষয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, যোৱা ৩০ চেপ্তেম্বৰত ২৫ হাজাৰৰো অধিক যুৱক-যুৱতীলৈ ৭৫ হাজাৰ টকাকৈ প্ৰথমটো কিস্তি বিতৰণৰ শুভাৰম্ভ কৰা হৈছিল। এই আঁচনিৰ অধীনত যুৱক-যুৱতীসকলৰ শিক্ষাগত অৰ্হতাৰ ভিত্তিত ক্ৰমে ২ লাখ আৰু ৫ লাখকৈ টকা বিতৰণ কৰা হ'ব। দ্বিতীয়টো কিস্তিৰ বাবদ ৬৬ কোটি টকা ব্যয় কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিছে।

০০০

সমগ্ৰ বিশ্বত সংক্ৰামক ৰোগৰ প্ৰতিৰোধ আৰু জনস্বাস্থ্য সুৰক্ষিত কৰাৰ ক্ষেত্ৰত প্ৰতিষেধকৰ ভূমিকাৰ বিষয়ে সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে কাইলৈ বিশ্ব টীকাকৰণ দিৱস পালন কৰা হ'ব। এই দিনটোত প্ৰতিগৰাকী ব্যক্তিয়ে সহজে জীৱন ৰক্ষাকাৰী প্ৰতিষেধক লাভ কৰাৰ বাবে অবিৰত প্ৰচেষ্টাৰ আৱশ্যকতাত আলোকপাত কৰা হয়। এনে ধৰণৰ টীকাকৰণৰ জৰিয়তে পলিঅ', প্ৰসূতি আৰু নৱজাতকৰ মৃত্যুকে ধৰি ভালেমান ঘাটক ৰোগ নিৰ্মূল কৰাৰ ক্ষেত্ৰত ভাৰতে উল্লেখযোগ্য সাফল্য অৰ্জন কৰিছে। ২০২৩-২৪ বিত্তীয় বৰ্ষত দেশৰ নিৰ্ধাৰিত টীকাকৰণ লক্ষ্যৰ ৯৩ দশমিক ২-৩ শতাংশক সামৰি লোৱা হৈছে। সাৰ্বজনীন টীকাকৰণ আঁচনিৰ জৰিয়তে পলিঅ', বসন্ত, হেপাটাইটিছ-বি কে ধৰি ১২ বিধ ৰোগৰ বাবে বিনামূলীয়া প্ৰতিষেধক প্ৰদান কৰা হয়। ইউ-উইন প'ৰ্টেলৰ জৰিয়তে হিন্দীকে ধৰি ১১টা আঞ্চলিক ভাষাত এতিয়া গৰ্ভৱতী মহিলা আৰু ১৭ বছৰ বয়সলৈকে শিশু আৰু কিশোৰক প্ৰতিষেধক প্ৰদানৰ ডিজিটেল তথ্য অন্তৰ্ভুক্ত কৰা হৈছে।

০০০

অসম চুক্তিৰ আধাৰত প্ৰতিষ্ঠিত শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ সপ্তবিংশ প্ৰতিষ্ঠা দিৱসৰ দুদিনীয়া কাৰ্যসূচীৰ আজি পতাকা উত্তোলনেৰে শুভাৰম্ভ কৰা হয়। ইয়াৰ পাছতে **বৰ্ণালী** শীৰ্ষক লোক নৃত্য আৰু গীতৰ এটা বৰ্ণাঢ্য কাৰ্যসূচী অনুষ্ঠিত হয়। বিয়লি ভাগত অসমৰ শিল্প, সংস্কৃতি, নাট্য আৰু ছবি জগতৰ সদ্যপ্ৰয়াত পুৰোধা ব্যক্তি কুলদা কুমাৰ ভট্টাচাৰ্যৰ স্মৃতিচাৰণ অনুষ্ঠান আৰু সন্ধিয়া চাৰে ছয় বজাত হাস্যব্যংগ নাটকৰ অনুষ্ঠান বাগাড়ম্বৰ অনুষ্ঠিত হয়।

কাইলৈ সন্ধিয়া চাৰে পাঁচ বজাত ধ্ৰুপদী নৃত্য অনুষ্ঠান- **নৃত্যৰংগ**ৰ লগতে ছয় বজাত পুৰণি দিনৰ গীতৰ সোঁৱৰণ আৰু প্ৰিয় শিল্পীৰ সৈতে কথোপকথনৰ অনুষ্ঠান সোণালী সুদিন অনুষ্ঠিত হ'ব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

০০০

মৰিগাওঁ জিলা কাবাডী সন্থাৰ উদ্যোগত মৰিগাওঁ চহৰৰ দলবাৰী যুৱ কল্যাণ সংঘৰ খেলপথাৰত কালিৰে পৰা ৩ দিনীয়াকৈ সদৌ অসম আন্তঃজিলা মহিলা কাবাডী প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। এই প্ৰতিযোগিতাত ৰাজ্যখনৰ ২৬ টা দলে অংশগ্ৰহণ কৰিছে। কাইলৈ এই প্ৰতিযোগিতাৰ সামৰণি পৰিব।

০০০

**ঃঃ সমাপ্ত ঃঃ**